অধ্যায় ১৩ ঃ নীলমণি ফুকনৰ কবিতা ঃ গৌৰীনাথ আহিব

অধ্যায় গাঁথনি

13.1 উদ্দেশ্য

13.2 পৰিচয়

13.3 নীলমণি ফুকন আৰু তেওঁৰ কাব্য চিন্তা

13.4 *গৌৰীনাথ আহিব*

- 13.4.1 কবি পৰিচয়
- 13.4.2 কবিতাটিৰ মূল পাঠ
- 13.4.3 কবিতাটিৰ বিষয়বস্তু
- 13.4.4 কবিতাটিত আধুনিক চিন্তাৰ প্ৰতিফলন
- 13.4.5 আধুনিক কবি হিচাপে নীলমণি ফুকনৰ মূল্যায়ন

13.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ।

13.6 অধিক জানিবলৈ

13.7 অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

13.8 আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া আধুনিক কবিতাৰ অন্যতম কবি নীলমণি ফুকনৰ কাব্যচিন্তাৰ লগত পৰিচিত হ'ব
- *গৌৰীনাথ আহিব* কবিতাটোৰ বিষয়বস্তু আলোচনা কৰিব পাৰিব
- এই কবিতাটোৰ মাজেদি আধুনিক চিন্তাৰ প্ৰতিফলনো কিদৰে হৈছে তাক ব্যাখ্যা কৰিব পাৰিব
- কবি হিচাপে নীলমণি ফুকনৰ মূল্যায়ণ আগবঢ়াব পাৰিব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত অসমীয়া আধুনিক কবিতাৰ এক প্ৰতিভাশালী নিৰ্মাণকাৰ নৱকান্ত বৰুৱাৰ কবিতা *বোধিদ্ৰুমৰ খৰ্ক্কি* আলোচনা পঢ়িলে। এই অধ্যায়টো পাঠ্যবিষয় 'অসমীয়া কবিতা'ৰ ত্ৰয়োদশ অধ্যায়। ইয়াত আধুনিক সময়ৰ বৰেণ্য অসমীয়া কবি নীলমণি ফুকনৰ কবিতা *গৌৰীনাথ আহিৰ* আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰ মাজেদি শিক্ষাৰ্থীয়ে এই গৰাকী বৰেণ্য কবিৰ পৰিচয় লাভ কৰাৰ লগতে তেওঁৰ কাব্য প্ৰতিভাৰ লগতো পৰিচিত হ'ব।

১৩.৩ নীলমণি ফুকন আৰু তেওঁৰ কাব্য চিন্তা

আধুনিক কবিতাৰ ইতিহাসত নীলমণি ফুকনৰ তাৎপর্যপূর্ণ স্থান আছে। বিংশ শতিকাৰ পঞ্চাশ দশকৰ পৰা একবিংশ শতিকাৰ প্রথমটো দশকলৈকে কবিতাৰ সাধনাত তেওঁ নিমগ্ন হৈ আছিল। তৰুণ প্রজন্মৰ কবিসকলৰ বাবেও তেওঁ প্রয়োজনীয় দিগদর্শন তেওঁ এগৰাকী দিক্‌দর্শী ব্যক্তি।

কাব্যচর্চাৰ আৰম্ভণিতে ফুকনে প্রতীকবাদৰ প্রেৰণাত কবিতা লিখিবলৈ লৈছিল। বিশুদ্ধ প্রতীকবাদী ধৰণৰ কবিতা তেওঁ লিখা নাই যদিও ভাষাৰ ব্যঞ্জনাধর্মিতা তেওঁৰ কাব্যচর্চাৰ আজীৱন সহচৰ হৈ থকা কথাটো তাৎপর্যপূর্ণ। অর্থৰ বহুমাত্রিকতাই তেওঁৰ কবিতাৰ আবেদন দুগুণে বঢ়ায়। চিত্রকল্প নীলমণি ফুকনৰ কবিতাত গাঁথনিগত কাৰণতে উল্লেখযোগ্য। বিভিন্ন চিত্রকল্পৰ মাধ্যমত কবিয়ে কবিতা এটাৰ কথা ভাবে। অসমীয়া ভাষাটোৰ নতুন নতুন প্রকাশিকা শক্তি উন্মোচনত তেওঁ গোটেই জীৱন পাত কৰিছে। দুখবোধ তেওঁৰ কবিতাৰ অন্যতম উপজীব্য। মৃত্যুও বিভিন্ন আয়তনলৈ তেওঁৰ কবিতাত উদ্ভাসিত হৈছে ঃ

"ভুলতে তোমাক বিছনাখনত
খেপিয়াই ফুৰিছিলো,
তুমি যে পর্বতটোৰ নামনিত
তিলফুল হৈ
হালি-জালি ফুলি আছা।" (তুমি যে তিলফুল হৈ)

নীলমণি ফুকনৰ চিত্রকলাৰ লগত সম্পর্কৰ আভাস পোৱা যায় তেওঁ ৰচনা কৰা *লোককল্প দৃষ্টি* আৰু *ৰূপ বর্ণ বাক* নামৰ চিত্রকলা সম্পর্কীয় গ্রন্থ দুখনৰ পৰা। কবিৰ 'হঠাৎ সেই আর্তনাদ আহি', 'এই এটাই শব্দ সেউজীয়া' আৰু 'কিন কিন হেঙুলীয়াৰ মাজত' কবিতাত ৰঙে এটি তাৎপর্যপূর্ণ ভূমিকা লাভ কৰিছে। এয়াই চিত্রকলাৰ লগত তেওঁৰ নিবিড় সম্পর্ককে সূচায়।

ফুকনৰ শেষৰ ফালৰ সঙ্কলন *নৃত্যৰতা পৃথিৱীৰ* অন্তর্গত কবিতাখিনিত কথ্য ভাষাই নিৰাভৰণ ৰূপত আত্মপ্রকাশ কৰাটো লক্ষ্যণীয়। কোনো কবিতাত আছে তেওঁৰ আগৰ কবিতাত দুর্লভ নাটকীয় ভঙ্গিমা, সিও দৈনন্দিন কথিত ভাষাৰ আলমত। ফুকনৰ অন্তিম কাব্য সঙ্কলন 'অলপ আগতে আমি কি কথা পাতি আছিলো'ত কবিৰ ভাষাই এটি বিৰল কাঠিন্য অর্জন কৰিবলৈ সক্ষম হৈছে।

১৩.৪ *গৌৰীনাথ আহিব*

১৩.৪.১ কবি পৰিচয়

নীলমণি ফুকনৰ জন্ম হৈছিল দেৰগাঁৱত 1933 চনৰ 10 ছেপ্টেম্বৰ তাৰিখে। দেৰগাঁও হাইস্কুলত স্কুলীয়া শিক্ষা লাভ কৰি গুৱাহাটীৰ পৰা প্রাইভেট পৰীক্ষার্থী হৈ

1953 চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। 1957 চনত কটন কলেজৰ পৰা তেওঁ স্নাতক ডিগ্ৰী লাভ কৰে আৰু 1960 চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইতিহাস বিষয়ত এম.এ ডিগ্ৰী লাভ কৰে। 1964 চনত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰে। 1966 চনত *মণিদীপ*নামৰ আলোচনী এখন সম্পাদনা কৰিছিল। 1972 চনত তেওঁ অসম সাহিত্য সভাই প্ৰদান কৰা 'ৰঘুনাথ চৌধাৰী বঁটা' লাভ কৰে। 1980 চনত *কবিতা*নামৰ কাব্য সঙ্কলনৰ বাবে তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰে। 1990 চনত তেওঁক ভাৰত চৰকাৰে পদ্মশ্ৰী সন্মান প্ৰদান কৰে। 1992 চনত আৰ্য্য বিদ্যাপীঠ কলেজৰ ইতিহাস বিভাগৰ মুৰব্বী হিচাপে চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। 2002 চনত নীলমণি ফুকনে সাহিত্য অকাডেমীৰ সৰ্বোচ্চ সন্মান ফেল'-2002 সন্মানিত হয়। ফুকনৰ প্ৰকাশিত কবিতা সঙ্কলনবোৰ হ'ল— *সূৰ্য্য হেনো নামি আহে এই নদীয়েদি, নিৰ্জনতাৰ শব্দ আৰু কি নৈঃশব্দ, ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে, কাঁইট গোলাপ আৰু কাঁইট, গোলাপী জামুৰ লগ্ন, কবিতা, নৃত্যৰতা পৃথিৰী, সাগৰতলিৰ শঙ্খ*আৰু *অলপ আগতে আমি কি কথা পাতি আছিলোঁ*। ফুকনৰ তিনিখন অনূদিত কাব্য সঙ্কলন প্ৰকাশ পাইছে— *জাপানী কবিতা, গাৰ্থিয়া লৰকাৰ কবিতা*আৰু *অৰণ্যৰ গান*।

১৩.৪.২ কবিতাটিৰ মূল পাঠ

গৌৰীনাথ আহিব

দুয়োখন দুৱাৰ মেলি থ'ব
গৌৰীনাথ আহিব

দুয়োটা বাটিত সজাই থ'বি
দুবাটি মঙহ হালধী সানি
দুয়োটা চকুত জ্বলাই থ'বি
সাতপুৰুষীয়া চকুপানী

তোৰ তেজলৈ তাক তাৰ
হাত সুমুৱাই দিবলৈ ক'বি
তেজ তাৰ তিতা নে লুণীয়া
তয়ে তাক চাকি চাবলৈ ক'বি

পেটত তোৰ উচুপে কোনে
কোনে কান্দে শুনিবি

পদুলিলৈ ওলাই চিয়ঁৰটো মাৰিবি
মাটি ফাটিব
পানী-হিলৈ ফুটাদি শিল ফুটিব
দলিয়াই, দিবি তোৰ হাতৰ
হাতী-দাঁতৰ হাত
আৰু কচাইৰ আঙুলিত শুকোৱা
তেজৰ দৰে
শুকাব ৰাতিৰ নিশ্বাস

আই তই ৰহঢলা পথাৰত
উলঙ্গ হৈ নাচিবি
নাচিবি পৃথিৱীৰ নৃত্য

গাজি গুবুৰি বৰষুণ আহিব
উত্তৰৰ পৰা দক্ষিণৰ পৰা
পূবৰ পৰা পশ্চিমৰ পৰা
আৰু খেতিয়কবোৰ বাটলৈ
ওলাই আহিব।

দুয়োখন দুৱাৰ মেলি থ'বি
গৌৰীনাথ আহিব
স্বৰ্গদেউ গৌৰীনাথ

১৩.৪.৩ কবিতাটিৰ বিষয়বস্তু

আহোম বুৰঞ্জীৰ এটা চৰিত্ৰ স্বৰ্গদেউ গৌৰীনাথ সিংহৰ আলম লৈ কবিতাটো গঢ় লৈ উঠিছে যদিও বিশেষ গৌৰীনাথ সিংহ কবিৰ প্ৰতীকী ভাষাৰে নিৰ্বিশেষ এটি চৰিত্ৰলৈ ৰূপান্তৰিত হৈছে, অৰ্থাৎ বুৰঞ্জীৰ পৰিধি ভেদি গৌৰীনাথে লাভ কৰিছে এটি প্ৰতীকীৰূপ। ৰাজতন্ত্ৰ পৰিণত হৈছে শোষণতন্ত্ৰত। দুখীয়া-নিচলা প্ৰজাই দৈনন্দিন জীৱনৰ শোষণৰ চাপত য'ত দিক্-বিদিক্ হেৰুৱাই পেলোৱাৰ উপক্ৰম হয়। দুখীয়াৰ ওপৰত কৰা এই অত্যাচাৰ, লাঞ্ছনা কবিয়ে বিভিন্ন অনুষঙ্গেৰে মৰ্মস্পৰ্শী ৰূপত ফুটাই তুলিছে। ভাষাৰ অভিনৱ প্ৰয়োগেৰে গৌৰীনাথ সিংহৰ ৰাজত্বকালৰ সমসাময়িকতাক কবিয়ে চেৰাই গৈছে।

"দুয়োটা বাটিত সজাই থ'বি
দুবাটি মঙহ হালধী সানি

দুয়োটা চকুত জ্বলাই থ'বি
সাতপুৰুষীয়া চকুপানী"

'সাতপুৰুষীয়া' শব্দৰ ব্যৱহাৰেৰে মূৰ্ত কৰি তুলিছে শোষণ-লাঞ্ছনা আৰু বঞ্চনাৰ দীঘলীয়া ইতিহাস। সময়ৰ যি বিন্দুত আমি ইয়াৰ সূচনা বুলি ধৰিবলৈ যত্ন কৰো, তাৰো বহু আগেয়েই যেন শোষণৰ এক চক্ৰ ঘূৰ্ণীয়মান।

প্ৰখ্যাত সমালোচক হীৰেন গোহাঁয়ে আদৰ-অভ্যৰ্থনাৰ অনুষঙ্গ হিচাপে থকা বিহুগীতৰ পংক্তিত কবিয়ে আৰোপ কৰা বীভৎসতাৰ কথা উল্লেখ কৰিছে— *"দুয়োটা বাটিত সজাই থ'বিঐদুবাটি মঙহ হালধী সানি।"* তেজৰ স্বাভাৱিক ৰং যে শোষক-শোষিতৰ বাবে এটাই তাকেই কবিয়ে অসমীয়া ভাষাৰ অভিনৱ ব্যৱহাৰেৰে উদ্ভাসিত কৰি তুলিছে—

"তোৰ তেজলৈ তাক তাৰ
হাত সুমুৱাই দিবলৈ ক'বি
তেজ তাৰ তিতা নে লুণীয়া
তয়ে তাক চাকি চাবলৈ ক'বি"

পেটৰ ভোক শোষক যন্ত্ৰণাৰ স'তে একাকাৰ হৈ পৰিছে। এই শোষণৰ জাল সম্প্ৰসাৰিত হ'ব কৃষক পত্নীৰ ভৱিষ্যৎ উত্তৰসূৰীলৈও, তাতকৈ মৰ্মান্তিক কথা কি হ'ব পাৰে—

"পেটত তোৰ উচুপে কোনে
কোনে কান্দে শুনিবি"

কবিতাটোত শোষকৰ বিৰুদ্ধে যি বিদ্ৰোহৰ প্ৰসঙ্গৰ অৱতাৰণা কৰা হৈছে সেয়া শিল্পমণ্ডিত হৈ কবিতাটোত উদ্ভাসিত হৈছে। প্ৰকৃতিৰ কেতবোৰ সংঘটন (মাটি ফটা, শিল ফুটা)ৰ জৰিয়তেই কবিয়ে সেই আৱহ ফুটাই তুলিছে— *"পদূলিলৈ ওলাই চিয়ঁৰটো মাৰিবিঐমাটি ফাটিবঐপানী-হিলৈ ফুটাদি শিল ফুটিব।"* হাতক হাতী-দাঁতৰ হাত'ত শোষকৰ অনুষঙ্গ হিচাপে আহিছে হাতী-দাঁত— তাক পৰিত্যাগৰ আকুল আহ্বান আছে কবিতাটিত। শোষণ-নিষ্পেষণৰ এই পৰ্ব চলি থাকিব স্বাভাৱিক দৈনন্দিনতাৰ অংশ হৈ পৰিব তাৰ প্ৰতিবাদ—

"আৰু কচাইৰ আঙুলিত শুকোৱা
তেজৰ দৰে
শুকাব ৰাতিৰ নিশ্বাস"

সাধাৰণ জনতাৰ বিদ্ৰোহ গৌৰীনাথ ৰূপী শাসকৰ বিৰুদ্ধে অত্যন্ত সূক্ষ্মতাৰে ফুটি উঠিছে। খেতিপথাৰৰ লগত জড়িত প্ৰজননৰ অনুষঙ্গ দৃষ্টিৰ দ্যোতনাৰে সজীৱ— *"আহ তই ৰহঢলা পথাৰতঐ উলঙ্গ হৈ নাচিবিঐনাচিবি পৃথিৱীৰ নৃত্য।"* লোক উৎসৱৰ স্বতঃস্ফূৰ্ততা আৰু সৃজনশীলতা একাকাৰ হৈ পৰা কবিতাত বিদ্ৰোহৰ আৱহ কেতিয়াবা প্ৰকট (*"পদূলিলৈ ওলাই চিয়ঁৰটো মাৰিবিঐমাটি ফাটিবঐপানী-হিলৈ ফুটাদি শিল*

ফুটিবঐদলিয়াই দিবি তোৰ হাতৰঐহাতী-দাঁতৰ হাত); কেতিয়াবা স্নিগ্ধ (গাজি গুমৰি বৰযুণ আহিবঐউত্তৰৰ পৰা দক্ষিণৰ পৰাঐপূবৰ পৰা পশ্চিমৰ পৰাঐআৰু খেতিয়কবোৰ বাটলৈঐওলাই আহিব")।

১৩.৪.৪ কবিতাটিত আধুনিক চিন্তাৰ প্রতিফলন

আহোম বুৰঞ্জীৰ স্বর্গদেউ গৌৰীনাথ সিংহক লৈ এই কবিতাটো ৰচিত হৈছে যদিও কবিতাটিত আধুনিক চিন্তাৰ ৰূপায়ণ ঘটিছে। আৱহমান কালৰ পৰা চলি অহা শোষণৰ দিশটো কবিয়ে অপূর্বভাৱে পৰিৱেশন কৰিছে—

"দুয়োটা বাটিত সজাই থ'বি
দুবাটি মঙহ হালধী সানি
দুয়োটা চকুত জ্বলাই থ'বি
সাতপুৰুষীয়া চকুপানী"

শোষণৰ শিকলি ছিঙি পেলাবলৈ কবিয়ে ব্যৱহাৰ কৰা অনুষঙ্গবোৰো অভিনৱ আৰু চিন্তাও আধুনিক—

"পদূলিলৈ ওলাই চিয়ঁৰটো মাৰিবি
মাটি ফাটিব
পানী-হিলৈ ফুটাদি শিল ফুটিব
দলিয়াই দিবি তোৰ হাতৰ
হাতী-দাঁতৰ হাত"

কবিতাটোত ব্যৱহৃত চিত্রকল্প কেতবোৰ দৈনন্দিন জীৱনৰ পৰা তুলি অনা—

"আৰু কচাইৰ আঙুলিত শুকোৱা
তেজৰ দৰে
শুকাব ৰাতিৰ নিশ্বাস"

১৩.৪.৫ আধুনিক কবি হিচাপে নীলমণি ফুকনৰ মূল্যায়ন

আধুনিক অসমীয়া কবিতাৰ অন্যতম অগ্রগণ্য কবি নীলমণি ফুকন (জন্ম 1933]এ নখন মৌলিক কাব্যগ্রন্থৰ জৰিয়তে অসমীয়া কবিতাক সমৃদ্ধ কৰিছে। তেওঁৰ ৰচিত কবিতা সঙ্কলনবোৰ হ'ল— *সূর্য্য হেনো নামি আহে এই নদীয়েদি* [1963], *নির্জনতাৰ শব্দ* [1965], *আৰু কি নৈঃশব্দ্য* [1968], *ফুলি থকা সূর্য্যমুখী ফুলটোৰ ফালে* [1972], *কঁহুটি, গোলাপ আৰু কঁহুটি* [1975], *গোলাপী জামুৰ লগ্ন* [1977], *কবিতা* [1981], *নৃত্যৰতা পৃথিৰী* [1985] আৰু *অলপ আগতে আমি কি কথা পাতি আছিলোঁ* [2003]।নীলমণি ফুকনৰ কবিতাৰ থাউকতে দেখুৱাব পৰা বৈশিষ্ট্যকেইটা

হ'ল— তেওঁৰ কবিতাত বিষয়ৰ ব্যাপ্তি আৰু গভীৰতা দেখা যায়। অসমীয়া কবিতাত প্ৰতীকবাদৰ সফল প্ৰয়োগ ফুকনে কৰিছে, প্ৰতীকী ভাষাৰ প্ৰয়োগত তেওঁৰ পৰৱৰ্তী অসমীয়া কবিতাৰ বাবে এটি আৰ্হি ৰচনা কৰি গৈছে। চিত্ৰকল্পৰ যথাযথ ব্যৱহাৰেৰে নীলমণি ফুকনে অসমীয়া কবিতাক সমৃদ্ধ কৰিছে। কবিতাক চিত্ৰকলাৰ স'তে কিদৰে সম্পৰ্কিত কৰিব পাৰি ফুকনে সেয়া দেখুৱাইছে। অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তিৰ বৈচিত্ৰ্যময় ৰূপ নীলমণি ফুকনে তেওঁৰ কবিতাত ধৰি ৰাখিছে।

একপ্ৰকাৰৰ আত্মিক বিষণ্ণতাই নীলমণি ফুকনৰ কবিতা সিক্ত কৰি ৰাখিছে। এইক্ষেত্ৰত তেওঁৰ কবিতা *জাপানী কবিতা, জাৰ্মান কবি পল ছেলান* [1920–1970]ৰ কবিতাৰ সগোত্ৰীয়। ব্যক্তিগত অভিজ্ঞতা যেনে— হিটলাৰৰ নৰমেধ যজ্ঞৰ বলি হোৱা পল ছেলানৰ পিতৃ-মাতৃৰ স্মৃতিয়ে তেওঁক কবিতা ৰচিবৰ বাবে প্ৰণোদিত কৰে। তেজৰ ৰূপকধৰ্মিতাৰে মাতৃ বিয়োগ ফুকনৰ কবিতালৈ আহিছে—

"চকুত চাকিটো মুখত তেজ
চিয়াঁৰি দিওঁ
জনজনাই যায় কাঁহৰ বাটিত মোৰ
হালধি বঁটা ৰাতি" (আকাশখনে ধপধপায়)

ফুকনৰ ট্ৰেজিক কল্পলোক গঢ় দিছে কেতবোৰ ব্যক্তিগত অনুভূতিয়ে—

"হাতত খোলা তৰোৱাল লৈ আহিবা
বেদনা যি তৰোৱালৰ ধাৰ" (হাতত খোলা তৰোৱাল লৈ আহিবা)

চিৰন্তন এই বিষাদবোধৰ পৰাই জীৱনৰ সঞ্জীৱনী সুধা পান কৰিবলৈ কবি আগ্ৰহী। কিন্তু এনেবোৰ অনুভূতি প্ৰকাশৰ বেলিকা ফুকনৰ ভাষাৰ যি ৰূপকধৰ্মিতা প্ৰকাশ পাইছে সেয়াই আধুনিক কবি হিচাপে তেওঁৰ গুৰুত্ব অনুভূত হয়।

এগৰাকী আধুনিক কবি হিচাপে ফুকনৰ কবিতালৈ মৃত্যু বিভিন্ন আয়তনেৰে আহিছে। এইখিনিতে ভৱেন বৰুৱাৰ মত সুঁৰৰিব পাৰি— *ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে* সঙ্কলনখনৰ পৰা অহা কবিতাবোৰৰ কেইবাটাৰো (*ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে, হৰিৎ প্ৰান্তৰত..., এতিয়া সৰ্বত্ৰ...* আদিৰ) কেন্দ্ৰত আছে মৃত্যু ভাৱনা, কেইবাটাতো *(নৈখনৰ পাৰেৰে বাট এটি শিশুৰ স'তে...)* আছে মৃত্যুৰ স্মৃতি তথা এক শূন্যতাবোধৰ হাহাকাৰ।

কথকৰ একান্ত প্ৰিয়জন পৰ্বতৰ নামনিত তিলফুল হৈ ফুলি থকাৰ কল্পনা ফুকনে লোকসাধুৰ তেজীমলা ফুল হৈ থকাৰ অনুষঙ্গৰ পোহৰত নকৈ নিৰ্মাণ কৰি উলিয়াইছে। কিন্তু কথকৰ একান্ত ব্যক্তিগত অনুভৱে তাৰ সীমা চেৰাই গৈ আধুনিক জীৱনৰ মালিন্যৰ ট্ৰেজিক উপলব্ধি জগাই তুলিছে। নাৰকীয় নিঃসঙ্গতাৰ গ্লানি মচি নিয়ে লোকাতীতৰ স্পৰ্শই—

"ভুলতে তোমাক বিছনাখনত
খেপিয়াই ফুৰিছিলোঁ,
তুমি যে পৰ্বতটোৰ নামনিত
তিলফুল হৈ
হালি-জালি ফুলি আছা।" (তুমি যে তিলফুল হৈ)

প্ৰতীকবাদী শৈলীৰ প্ৰয়োগে নীলমণি ফুকনৰ কবিতাক নতুন আয়তন প্ৰদান কৰিছে। 'বুৰঞ্জী' প্ৰতীকবাদী কবিতাৰ সাৰ্থক উদাহৰণ। ইয়াত যি এটি যাত্ৰাৰ কথা কোৱা হৈছে— সেয়া স্বপ্নাতুৰ শিল্পীৰ অভিযান মাথোন। ইয়াৰ কোনো তাৎপৰ্য নাই। কল্পলোক এখন ৰচনাৰ বাবে কবিয়ে বুৰঞ্জীক অভিনৱ দৃষ্টিৰে চাইছে। 'বুৰঞ্জী'ত প্ৰতীকবাদী কাব্যৰ লেখীয়াকৈ এখন কল্পনাৰ জগত ৰচনাৰে বাস্তৱ পৃথিৱীৰ দ্বন্দ্বৰ নিৰসন ঘটে। কবিতাটোত জীৱনৰ পৰিবৰ্তনশীলতা মূৰ্ত হৈছে—

"আমি আকৌ ধোঁৱা আৰু নিশাৰ মাজেৰে
ধীৰে ধীৰে নাও মেলি দিলো।" (বুৰঞ্জী)

ব্ৰহ্মপুত্ৰত সূৰ্য্যাস্তত গভীৰ নিঃসঙ্গতাবোধ আৰু মৃত্যু-চেতনা প্ৰতীকৰ জৰিয়তে মূৰ্ত হৈছে। কবিতাটোত ব্ৰহ্মপুত্ৰ এখন নিৰ্বিশেষে নদীলৈ ৰূপান্তৰিত হৈছে। 'বস্তু'ৰ অনিৰ্দিষ্টতা আৰু তাৰ জৰিয়তে অনুভূতি এটা জগাই তোলাত প্ৰতীকে সহায় কৰে। ব্ৰহ্মপুত্ৰত সূৰ্যাস্তৰ উল্লেখেৰে মনৰ অনুভূতি *(নিঃসঙ্গতাবোধ ঃ এতিয়া উলটিল প্ৰতিজন দৰ্শকঐউক দিলে প্ৰত্যেকৰে একে বিষ; মৃত্যু-চেতনা ঃ মানুহৰ অন্তিম লালসাৰঐকি প্ৰজ্বলন)*প্ৰকাশ পাইছে।

নীলমণি ফুকনে ব্যক্তিগত প্ৰতীকৰো ব্যৱহাৰ কৰিছে— ওলমি থকা গোলাপী জামুৰ লগ্ন, এজাক সাগৰীয় হাঁহৰ মতে, ঘোঁৱা আদি। গোলাপী জামুৰ লগ্ন মানুহৰ পৰম আকাঙিক্ষত মুহূৰ্তৰ দ্যোতক। তাৰ বাবেই মানুহে আৱহমান কালৰে পৰা বিভিন্ন মানসিক অৱস্থাৰ মুখামুখি হৈ আহিছে। কেতিয়াবা আৱেগিক উদ্‌গীৰণ, কেতিয়াবা সৃষ্টি আৰু ধ্বংসৰ যুগপৎ উপলব্ধিৰ মাজেৰে কাঙিক্ষত সময়ৰ অভিমুখে মানুহৰ যাত্ৰা অব্যাহত আছে। "বতাহৰ শূন্যতাৰ গভীৰতঐনিশাৰ উন্মুক্ত বাঁহী" —এই পংক্তি দুটাই আধুনিক নিঃসঙ্গ ব্যক্তিৰ শূন্যতাবোধ মূৰ্ত কৰিছে। এঠাইৰ পৰা আন ঠাইলৈ দূৰত্ব ব্যঞ্জিত হৈছে ফুকনৰ অইন কবিতাৰ দৰে।

চিত্ৰকলাৰ লগত থকা সম্পৰ্কই লৰ্কা আৰু নীলমণি ফুকনৰ কাব্য-চৰ্চা বিশেষভাবে সমৃদ্ধ কৰিছে। ৰঙৰ তাৎপৰ্যৰ কথা লৰ্কাই নিবিড়ভাবে অনুভৱ কৰিছিল আৰু কিছুমান কবিতাৰ বয়নতো ইয়াৰ গুৰুত্ব আছে। ফুকনৰ *হঠাৎ সেই আৰ্তনাদ আহি, এই এটাই শব্দ সেউজীয়া*আৰু *কিন কিন হেঙুলীয়াৰ মাজত*কবিতাত ৰঙে এটি তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

নীলমণি ফুকনে (যোৱা শতিকাৰ) পঞ্চাশৰ মাজভাগৰে পৰা এটি নিমজ সুৰৰ সন্ধান কৰিছিল বুলি সমালোচক ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামীয়ে অভিমত আগবঢ়াইছে–

"ভাৰতৰ প্ৰশান্তৰ আৰৱৰ বঙ্গৰ সাগৰৰ পাৰে পাৰে
বিচাৰি ভাগৰি পৰিলো তোমাৰ ক'ত ঘৰ, ক'ত সেই
তোমাৰ চুলিৰ ৰাতিৰ আকাশ, ফুল আৰু মৌ
অশোক বনৰ।" (স্বপ্নবাসৱদত্তা)

ফুকনে তেওঁৰ শেহতীয়া কবিতালানিত প্ৰজ্ঞাসুলভ দৃষ্টিৰে নিৰীক্ষণ কৰিছে জগত, সময় আৰু আমাৰ চৌপাশৰ পৰিৱেশ। মানুহৰ হৃদয় উমাল কৰি ৰখা বিভিন্ন অনুভূতি, ৰক্তাক্ত সময় এইবোৰত কবিয়ে পেলাইছে কালাতীত লোকাতীত পোহৰ। নিজৰ গভীৰত কবিয়ে নিজকে বিচাৰি চাইছে সত্তাৰ বিচ্ছিন্নকৰণৰ যোগেৰে নহয়—

"আজিৰ বহুত দিনৰ মূৰত আমি আকৌ
মুখামুখিকৈ বহিছোঁ
এখন হাতেৰে যেন খামুচি ধৰি আছোঁ
একোছা সেউজীয়া দলঘাঁহ
এখন হাতৰ তলুৱাত লৈ আছোঁ
এটা জোনাকী পৰুৱা
এটা শোকস্তব্ধ শব্দ
....."

(অলপ আগতে আমি কি কথা পাতি আছিলোঁৰ 7নং কবিতা)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কবি নীলমণি ফুকনৰ কৃতিসমূহৰ নাম উল্লেখ কৰক। (100টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ২ ঃ কবি নীলমণি ফুকনৰ কবিতাৰ বৈশিষ্ট্যসমূহ কি কি? (250টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ৩ ঃ নীলমণি ফুকনৰ কবিতাৰ ভাষা কেনেকুৱা? (250টা শব্দৰ ভিতৰত লিখক)



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আমি নীলমণি ফুকনৰ *গৌৰীনাথ আহিৰ* শীৰ্ষক আধুনিক কবিতাটো

পঢ়িলোঁ। এই আলোচনাৰ পৰা *গৌৰীনাথ আহিৰ* বিষয়বস্তুৰ লগতেই যে পৰিচিত হ'লোঁ তেনে নহয়, বৰঞ্চ তাৰ লগে লগে নীলমণি ফুকনৰ কবিতাৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কেও জানিব পাৰিলোঁ।

- আধুনিক কবিতাৰ বৈশিষ্ট্যসমূহ নীলমণি ফুকনৰ কবিতাত কিদৰে ৰূপায়িত হৈছে সেই সম্পৰ্কেও এটি ধাৰণা লাভ কৰিলোঁ।



১৩.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] আহমেদ, এম. কামালুদ্দিন আহমেদ [2015, পৰিৱৰ্দ্ধিত সংস্কৰণ); *আধুনিক অসমীয়া কবিতা*; গুৱাহাটী ঃ বনলতা।

2] গোহাঁই, হীৰেন (সম্পা.), [1994]Ê, *সাগৰতলিৰ শঙ্খ, নীলমণি ফুকনৰ নিৰ্বাচিত কবিতা*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

3] ডেকা, হৰেকৃষ্ণ [2013]ÊÊ, *আধুনিক কবিতা*; গুৱাহাটী ঃ পেপিৰাছ।

4] বৰুৱা, ভবেন [2002]Ê, *অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্ব*; গুৱাহাটী ঃ গ্ৰন্থ।

ইংৰাজী গ্ৰন্থ ঃ

1) Bradlury, Makolm & Mcfarlane, James (ed.) (1991); *Modernism: A Guide to European Literature 1890-1930*; Guwahati: Penguin Books Ltd.

2) Childs, Peter (2002); *Modernism*; Guwahati: Routledge.



১৩.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ কবিৰ পৰিচয় সম্পৰ্কীয় আলোচনাত থকা তেওঁৰ কৃতিসমূহৰ নাম উল্লেখ কৰিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ নীলমণি ফুকনৰ কবিতাৰ সাধাৰণ বৈশিষ্ট্য... ...নিদৰ্শনসহ চমুকৈ আলোচনা কৰক।

৩নং প্ৰশ্নৰ উত্তৰ ঃ নীলমণি ফুকনৰ কবিতাত প্ৰত্যক্ষ কৰিবলৈ পোৱা প্ৰতীক, চিত্ৰকল্প আৰু অন্যান্য অভিনৱ উপাদানৰ কথা চমুকৈ বৰ্ণনা কৰিব লাগিব।।



১৩.৮ আৰ্হিপ্ৰশ্ন

প্ৰশ্ন ১ ঃ নীলমণি ফুকনৰ অসমীয়া আধুনিক কবিতালৈ অৱদান কি? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ নীলমণি ফুকনৰ *গৌৰীনাথ আহিব* কবিতাত আধুনিক কবিতাৰ লক্ষণসমূহ কিদৰে

ৰূপায়িত হৈছে ফঁহিয়াই দেখুৱাওক।

প্ৰশ্ন ৩ ঃ আধুনিক কবিতাত ভাষাৰ গুৰুত্ব কি নীলমণি ফুকনৰ *গৌৰীনাথ আহিব* কবিতাটিৰ জৰিয়তে দেখুৱাওক।

প্ৰশ্ন ৪ ঃ প্ৰসঙ্গ সঙ্গতি দৰ্শাই ব্যাখ্যা কৰক—

ক) *"তোৰ তেজলৈ তাক তাৰ*
হাত সুমুৱাই দিবলৈ ক'বি
তেজ তাৰ তিতা নে লুণীয়া
তয়ে তাক চাকি চাবলৈ ক'বি"

খ) *"পদুলিলৈ ওলাই চিয়ঁৰটো মাৰিবি*
মাটি ফাটিব
পানী-হিলৈ ফুটাদি শিল ফুটিব
দলিয়াই দিবি তোৰ হাতৰ
হাতী-দাঁতৰ হাত"

*** ***** ***